# অসমৰ বানপানীক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা কৰা হওক
## জুবিন গাৰ্গ

প্ৰতিবছৰৰ দৰে আকৌ এবাৰ বানপানীয়ে আমাক, অসমৰ মানুহবোৰক জোলোকা-জোলোকে পানী খুৱাবলৈ ধৰিছে। বানৰ কোবাল সোঁতত মানুহবোৰৰ ঘৰবোৰ নোহোৱা হ'বলৈ ধৰিছে; গাঁৱৰ পিছত গাঁও উছন্ন হ'বলৈ ধৰিছে। পথাৰবোৰ নেদেখা হৈ পৰিছে। ভঁৰালবোৰ উদং হৈ পৰিছে। বিগত বছৰসমূহৰ দৰেই নেতা-মন্ত্ৰীৰ আগমন ঘটিছে। কোনেও দুখবোৰ পাতল কৰিব পৰা নাই। নাইবা, তেনে কৰাৰ সদিচ্ছাও হয়তো নাই। থাকিলেও আমি এইপৰ্যন্ত সেয়া অনুভৱ কৰিব পৰা নাই।

বছৰ বছৰ ধৰি আমি চিঞঁৰি আছোঁ। বানপানীৰ সময়ত বহু বছৰ ধৰি মই নিজেও ৰাস্তালৈ ওলাই আহিছোঁ। ৰাইজৰ পৰা ধন সংগ্ৰহ কৰি কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেছনৰ যোগেদি সীমিতভাৱে আমাৰ বানপীড়িত লোকসকলক সহায় কৰিবলৈ চেষ্টা কৰি আহিছোঁ। কিন্তু ৰাস্তাত পইছা উঠাই বান সাহায্য দি থাকিলে ইমান ডাঙৰ সমস্যা এটাৰ সমাধান কোনো কাৰণতে নহয়, হ'ব নোৱাৰে। তাৰ বাবে চৰকাৰে কাম কৰিব লাগিব। পৰিকল্পনা লাগিব, আঁচনি লাগিব আৰু সেই আঁচনিসমূহ কাৰ্যকৰী কৰিবলৈ সততা, সাহস আৰু সদিচ্ছাও থাকিব লাগিব। এই চৰকাৰখনে পৰিৱৰ্তনৰ কথা কৈ শাসনলৈ আহিছিল। জাতি-মাটি-ভেটিৰ সুৰক্ষাৰ কথা কৈছিল। এতিয়া সেই কথাবোৰ, প্ৰতিশ্ৰুতিবোৰ বাস্তৱত ৰূপায়ণ কৰাৰ সময়। তেওঁলোকে সুদূৰপ্ৰসাৰী কোনো কাম কৰিব নোৱাৰিলে মানুহবোৰে তেওঁলোকক ক্ষমা নকৰিব।

এজন শিল্পী হিচাপে মই মোৰ সাধ্য অনুযায়ী মানুহবোৰৰ কাষত থিয় দিবলৈ চেষ্টা কৰি আহিছোঁ। কিন্তু মোৰ কিছু সীমাবদ্ধতা আছে। চৰকাৰে সেই কামবোৰ কৰিব লাগে। তেওঁলোকৰ ওচৰত গোটেই প্ৰশাসন যন্ত্ৰটো আছে। কাম কৰাৰ সুবিধা আছে। ইচ্ছা থাকিলে কৰিব নোৱৰাৰ কোনো কাৰণ মই দেখা নাপাওঁ। কলিয়াবৰ, লখিমপুৰ, মাজুলী, মৰিগাঁও সকলোতে মানুহবোৰে আশ্ৰয়ৰ আশা কৰি আছে। চৰকাৰ তেওঁলোকৰ ওচৰত থিয় হ'ব লাগিব। মই জানো সকলো ব্যৱস্থাতেই ভৰা কথা এটা কাৰ্যকৰী কৰাৰ সময়ত যথেষ্ট কাৰিকৰী বা গাঁথনিগত সমস্যা থাকে। চৰকাৰখনৰো তেনে ব্যৱস্থা আছে। কিন্তু বানপানীৰ সময়ত সেইবোৰ কথা সৰু হৈ পৰে। চৰকাৰে সেই বাধাসমূহ অতিক্ৰম কৰিব লাগিব। কৰিব পাৰিবই লাগিব। তাত কোনো অন্য কথা আহি পৰাৰ প্ৰয়োজনেই নাই।

অসম ভাৰতৰ অংগৰাজ্য। দিল্লীৰ নেতাসমূহ ভোট খুজিবলৈ অসমলৈ আহে। তেতিয়া ডাঙৰ ডাঙৰ কথা কয়। কিন্তু অসমৰ বানপানীক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ অসুবিধাটো ক'ত, সেইটো মই বুজিব পৰা নাই। এই আহ্বানটো বহুদিনৰে পৰাই চলি আহিছে। এতিয়া অনুৰোধ-আহ্বানৰ সময় পাৰ হ'ল। অসমৰ ৰাইজৰ হৈ মই চৰকাৰক দাবী জনাইছোঁ — অসমৰ বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰা হওক আৰু ন্যায্য গুৰুত্ব প্ৰদান কৰি সেইমৰ্মে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰা হওক। আন্দোলন বহুত হ'ল, এতিয়া যুদ্ধ কৰাৰ সময়। আমাৰ মানুহবোৰ জীয়াই থকাৰ বাবে যুদ্ধ কৰিব লাগিব। সেই যুদ্ধত মই অসমৰ ৰাইজৰ লগত আছোঁ। সকলো সময়তে, সদা সৰ্বত্ৰ।

চৰকাৰে বানপীড়িত লোকসকলৰ সংস্থাপনৰ বাবে অচিৰেই বিস্তাৰিত কাৰ্যসূচী গ্ৰহণ কৰক। অসমৰ আৰু বাহিৰৰো বিশেষজ্ঞসকলক লৈ বানপানী সমস্যাৰ যথাসম্ভৱ সমাধান আৰু প্ৰতিৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ কৰক। ব্ৰহ্মপুত্ৰখন কিমান বিজ্ঞানসন্মতভাৱে খান্দিব পাৰি বা বানপানীৰ প্ৰকোপ সীমিত হোৱাকৈ বান্ধিব পাৰি তাৰ বাবে চিন্তা-চৰ্চা কৰক আৰু সেইমতেই কাম কৰক। সময় বেছি নাই। জাতি-মাটি-ভেটিৰ বাবে এয়া বৰ কঠিন সময়। চৰকাৰে সেয়া বুজি উঠক অতি সোনকালেই।

অসমৰ ৰাইজলৈ মোৰ সহমৰ্মিতা ইয়াৰ মাজেদিয়েই ব্যক্ত কৰিলোঁ। আপোনালোকৰ লগত মই আছোঁ। সুখ-দুখ, ভঁৰাল অথবা আকাল — সকলো সময়তে। জয় আই অসম।